**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১।  বিটিচি নিৰ্বাচনত বি পি এফ দলৰ একক সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতালৈ প্ৰত্যাৱৰ্তন। আনুষ্ঠানিক ঘোষণালৈ এতিয়াও কিছুপৰ বাকী।

২।  ৰাজ্যৰ যাতায়াত ব্যৱস্থা উন্নীতকৰণৰ দিশত বিশেষ পদক্ষেপ হিচাপে আজি গুৱাহাটীত মুখ্যমন্ত্ৰীৰ দুখন উৰণ সেতু উদ্বোধন।

৩।  শিল্পী জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত তদন্তৰ বাবে এছ আই টিৰ আজি অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক তলব।

৪।  শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যৰ বিভিন্ন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি সম্পূৰ্ণ। কাইলৈ ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰতিমূৰ্তি স্থাপন।

**আৰু**

৫।  এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ অন্তিমখন খেলত কালি ছুপাৰ অভাৰত ভাৰতৰ শ্ৰীলংকাক পৰাস্ত।

oooooo

বিটিচি নিৰ্বাচনত বি পি এফ দলে একক সংখ্যাগৰিষ্ঠতা লাভেৰে পুনৰ ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰিছে। বিটিআৰৰ আটাইকেইটা সমষ্টিতে ইতিমধ্যে ভোটগণনা সম্পূৰ্ণ হৈছে যদিও এতিয়ালৈকে চৰকাৰীভাৱে এই নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা নাই বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। আজি পুৱতিনিশালৈকে ভোট গণনা কৰা হয়।

বি পি এফৰ প্ৰাৰ্থীয়ে ২৮ টা সমষ্টিত নিৰ্ণায়ক অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ৪ খন, বিজেপিয়ে ২ খন আসনত অগ্ৰগতি লাভ কৰিছে।

তামুলপুৰ জিলাৰ ৫ টা পৰিষদীয় সমষ্টিত মুঠ সাতটা ৰাউণ্ডৰ  ভোটগণনাৰ অন্তত বিজেপিয়ে দুখন বিপিএফে দুখন আৰু উই পি পি এলে এখন আসনত অগ্ৰগতি লাভ কৰে। এই সন্দৰ্ভত সবিশেষ জনাইছে তামুলপুৰৰ পৰা আমাৰ সংবাদদাতা নয়ন জ্যোতি দাসে।

(বাইট)

বাক্সা জিলাৰ ৬ টা পৰিষদীয়া সমষ্টিৰ ভিতৰত ৫টা সমষ্টিৰ ভোটগণনাৰ ফলাফল ঘোষণা কৰা হৈছে। জিলাখনৰ দুটা পৰিষদীয় সমষ্টিত বি পি এফ, দুটা সমষ্টিত ইউ পি পি এল আৰু এটা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জয়ী হৈছে। এই সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ—

(বাইট)

ওদালগুৰি জিলাৰ ৭ টা সমষ্টিত বি পি এফ, দুটাত বিজেপি আৰু এটাত ইউ পি পি এল দলে অগ্ৰগতি লাভ কৰিছে। আমাৰ ওদালগুৰিৰ সংবাদদাতাই জনোৱা মতে  এইবাৰ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বি পি এফে দাবী কৰা

ধৰণে অগ্ৰগতি লাভ কৰিছে। খৈৰাবাৰী সমষ্টিত লৌমচাও দৈমাৰী, হৰিশিঙা সমষ্টিত ত্ৰিদীপ দৈমাৰী, ধনশ্ৰী সমষ্টিত ফ্ৰেছ্ মুছাহাৰী, নোনাই ছেৰফাং সমষ্টি পল টপ্পো, ভৈৰবকুণ্ড সমষ্টিত ৰিহন দৈমাৰী, ৰৌতা পৰিষদীয় সমষ্টিত চৰণ বড়ো, পাচনৈ ছেৰফাং সমষ্টিত শ্যাম সুন্দীয়ে বি পি এফৰ বিজয়ধবজা উৰুৱাবলৈ সমৰ্থ হৈছে। ইপিনে খালিংদুৱাৰ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী অৰ্জুন দৈমাৰী আৰু মুদৈবাৰী সমষ্টিত দিগন্ত বৰুৱাই নিৰ্ণায়ক অগ্ৰগতি লাভ কৰিছে। ভেৰগাঁও সমষ্টিত ইউ পি পি এলৰ প্ৰাৰ্থী দাওবৈচা বড়োৱে অগ্ৰগতি লাভ কৰিছে। ১০ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা আৰু ৭৩ হাজাৰ ৮৪০ গৰাকী  ভোটদাতাই ভোটদান কৰা মুদৈবাৰী সমষ্টিৰ ভোটগণনা পুৱতি নিশাহে সমাপ্ত হয়।

oooooo

ৰাজ্যৰ যাতায়াত ব্যৱস্থা উন্নীতকৰণৰ দিশত বিশেষ পদক্ষেপ হিচাপে আজি গুৱাহাটীত দুখন উৰণ সেতু উদ্বোধন কৰা হ'ব। গুৱাহাটীৰ পানীখাইতিৰ নাৰেংগী-ভকতগাঁও সংযোগী পথত ৫৩৭ মিটাৰ দৈৰ্ঘ্যৰ দুই লেনযুক্ত সেতুখন উদ্বোধন কৰা হ'ব। ৬৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখন জয়ন্ত হাজৰিকা উৰণ সেতু হিচাপে নামকৰণ কৰা হৈছে। এই উৰণ সেতুৰে গুৱাহাটীৰ সৈতে চন্দ্ৰপুৰ আৰু মৰিগাঁৱকে ধৰি কাযৰীয়া অঞ্চলৰ যাতায়াত সূচল কৰাৰ লগতে পানীখাইতিৰ ৰে'লৰে গে'টত দীঘলীয়া অপেক্ষা কৰা জনসাধাৰণক সঁকাহ দিব। ইয়াৰ ফলত পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য আৰু মায়ঙৰ দৰে পৰ্যটন স্থলীলৈ যোগাযোগ সূচল হ'ব।

ইপিনে ৪৭ কোটি টকা ব্যয় সাপেক্ষে আজি পাণবজাৰৰ ৬০ বছৰ পুৰণি উৰণ সেতুৰ ঠাইত ২৯০ মিটাৰ দৈৰ্ঘ্যৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰা হ'ব। এই উৰণ সেতুৰে পাণবজাৰ অঞ্চলত যানযঁটৰ সমস্যা হ্ৰাস কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উৰণ সেতু দুখন উদ্বোধন কৰিব। অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু দিছপুৰৰ বিধায়ক অতুল বৰা উপস্থিত থাকিব।

oooooo

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা বিশেষ তদন্তকাৰী গোটে আজি অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক তলব কৰিছে। দিনৰ ১১ বজাত তিনিওকে চি আই ডিৰ মুখ্য কাৰ্যালয়ত হাজিৰ হ'বলৈ তদন্তকাৰী গোটে নিৰ্দেশ দিছে। উল্লেখযোগ্য যে কালি তৃতীয় দিনাৰ বাবে অভিযুক্ত শ্যামকানু মহন্তৰ মাদাৰ টেৰেছা ৰোডৰ কাৰ্বি পথত থকা বাসগৃহত তদন্তকাৰী গোটে অভিযান চলায়। বিশেষ তদন্তকাৰী গোটৰ নেতৃত্বত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ ৩০ জনীয়া এটা দলে বাসগৃহৰ প্ৰতিটো কোঠাত অভিযান চলাই বিভিন্ন তথ্যৰ অনুসন্ধান কৰে।

oooooo

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছৰ ১৩ দিনীয়া অনুষ্ঠান অসম চৰকাৰৰ উদ্যোগত যোৰহাটত অনুষ্ঠিত হ'ব। সেইদিনাই যোৰহাটলৈ শিল্পী গৰাকীৰ চিতাভস্ম লৈ যোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে। ড০ শৰ্মাই কালি এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু যোৰহাট জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এখন বৈঠকত মিলিত হয়। এই অনুষ্ঠানৰ আয়োজন সন্দৰ্ভত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই জুবিন গাৰ্গৰ পৰিয়ালৰ মতামত ল'ব আৰু সেই অনুসৰি পৰৱৰ্তী ব্যৱস্থাসমূহ লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জনাইছে।

oooooo

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যৰ বিভিন্ন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰতিমূৰ্তি স্থাপন কৰি পূজা-অৰ্চনাৰ বাবে ভক্তিপ্ৰাণ ৰাইজ সাজু হৈছে যদিও জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ শোকত ম্ৰিয়মান হৈ থকাৰ বাবে পূজাৰ উছাহ ম্লান পৰিছে। শিল্পীগৰাকীৰ আকস্মিক দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী সহজ হৈ উঠা নাই। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্য শোকাছন্ন হৈ থকাৰ বাবে বজাৰতো ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হোৱা নাই।

শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন হোৱাৰ পাছত কাইলৈ ষষ্ঠীৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰা হ'ব। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে।

oooooo

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কালিৰেপৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত কালি পুৱাৰে পৰা জীপ ছাফাৰী আৰম্ভ হৈছে। প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় উদ্যান মুকলি কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক মৃণাল শইকীয়াকে ধৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ কৰ্তৃপক্ষ উপস্থিত থাকে। বিধায়ক মৃণাল শইকীয়াই ২০২৫-২৬ পৰ্যটন বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনলৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় উদ্যান তথা ইয়াৰ কাষৰীয়া অঞ্চলৰ পৰিস্কাৰ পৰিচ্ছন্নতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত খোলাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় উদ্যানখনত অহা ১ নৱেম্বৰত হাতী ছাফাৰী আৰম্ভ হ'ব বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত জি এছ্ টিৰ দৰ হ্ৰাসৰ ফলত গ্ৰাহকসকল কেনেধৰণে উপকৃত হ'ব সেই বিষয়ে এটা ক্ষেত্ৰভিত্তিক বিশ্লেষণ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ঔষধ আৰু ঔষধজাতীয় সামগ্ৰী, নিত্য ব্যৱহাৰ্য সামগ্ৰী, দুচকীয়া বাহন আৰু গাড়ীৰ ক্ষেত্ৰত মূল্যৰ পৰিৱৰ্তন সম্পৰ্কত সংশ্লিষ্ট বিক্ৰেতা আৰু সংশ্লিষ্ট বিক্ৰেতা সংস্থাসমূহৰ বক্তব্য শুনিবলৈ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

আনহাতে, গোলাপ শইকীয়াৰ সোঁৱৰণত আয়োজন কৰা অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফল জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজি ঘোষণা কৰিব পৰা নগল। শাৰদীয় দুৰ্গা পূজাৰ পাছত এই প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হব।

oooooo

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত অহা ৩০ ছেপ্তেম্বৰত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। আজি ভাৰত আৰু শ্ৰীলংকাৰ দুয়োটা দল গুৱাহাটীত উপস্থিত হ'ব। ৰাজ্যত প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই ক্ৰিকেট খেলৰ পৰিপ্ৰেক্ষিতত কালি গুৱাহাটীত বি চি চি আই আৰু অসম ক্ৰিকেট সন্থাৰ এখন যুটীয়া সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী অনুষ্ঠান জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হ'ব বুলি বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই প্ৰকাশ কৰে।

***(বাইট ঃ দেৱজিৎ শইকীয়াই)***

oooooo

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক নাটকীয়ভাৱে ছুপাৰ অভাৰত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাখনৰ ছখন খেলতে অপ্ৰতিদ্বন্দ্বি হৈ ৰয়। ভাৰতে ইতিমধ্যে এছিয়া কাপৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে শ্ৰীলংকাই ছুপাৰ ফ'ৰৰ দুয়োখন খেলতে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। কালি নিশা খেলখন প্ৰথমে

ড্ৰ হোৱাৰ পাছত ছুপাৰ অভাৰত খেলখন এই বছৰৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আটাইতকৈ ৰোমাঞ্চকৰ খেল হৈ পৰে। ছুপাৰ অভাৰত ভাৰতৰ অৰ্শদীপ সিঙে দুটা উইকেট দখল কৰি শ্ৰীলংকাক দুই ৰান লোৱাত বাধা দিয়ে। ইপিনে খেলখনত জয়ৰ বাবে তিনি ৰানৰ প্ৰয়োজন হোৱা ভাৰতে ছুপাৰ অভাৰৰ প্ৰথমটো বলতে বিজয় সুনিশ্চিত কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচ উইকেটৰ বিনিময়ত ২০২ ৰান কৰে। অভিষেক শৰ্মাই সৰ্বাধিক ৬১ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাৰ পাথুম নিশাংকৰ শতকৰ সহায়ত খেলখন ড্ৰ হয়। নিশাংকক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ভাৰত কাইলৈ প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

NPR/RNU (27-09-2025) MRN.

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত আৰু বি টি চি নিৰ্বাচনৰ ফলাফলৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে বিটিচিত পুনৰ ক্ষমতা দখলৰ দিশে হাগ্ৰামা মহিলাৰীৰ বি পি এফ, বিধ্বস্ত বিজেপি-ইউ পি পি এল শিৰোনামেৰে বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে বি পি এফৰ উত্থানত থমকিল বিজেপি শিৰোনামেৰে বড়োলেণ্ডৰ নিৰ্বাচনী ফলাফলৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। কাকতখনে এই বাতৰিটোৰ লগতে লাহোৱালত মটক জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত বৃহৎ জোঁৰ সমদলৰ বাতৰিটো আলোকচিত্ৰসহ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বড়োলেণ্ডৰ নিৰ্বাচনৰ ফলাফলৰ বাতৰিটো **অসমীয়া খবৰ** আৰু **দৈনিক অগ্ৰদূত** কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোৰ শিৰোনাম- জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত চি আই ডিৰঃ শ্যামকানু, সিদ্ধাৰ্থসহ ১১ প্ৰবাসী অসমীয়ালৈ চমন। **আমাৰ অসম** কাকতেও এই বাতৰিটো 'হাজিৰ নহ'লে লুক-আউট নটিচ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত নিৰপেক্ষ আৰু ক্ষিপ্ৰতাৰে কৰাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি উলিওৱা মম শিখা সমদলৰ বাতৰিটো আলোকচিত্ৰ সহ **দা ছেণ্টিনেল** কাকতে আৰু তদন্তকাৰী দলে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মালৈ জাননী জাৰি কৰাৰ বাতৰিটো আলোকচিত্ৰ সহ **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বিশিষ্ট সাহিত্যিক ৰীতা চৌধুৰীয়ে জুবিন গাৰ্গৰ অন্তিমটো সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল। এই সাক্ষাৎকাৰত জুবিন গাৰ্গে কৈছিল যে সাগৰৰ কোনো মেপ নাই, মই সাগৰত সাঁতুৰি ভাল পাওঁ। ৰীতা চৌধুৰীৰ এই সাক্ষাৎকাৰটো **নিয়মীয়া বাৰ্তা** কাকতে এংকৰ হিচাপে আজি প্ৰকাশ কৰিছে।

০০০০০০

গুৱাহাটীৰ খাৰঘুলি নিৱাসী অসম প্ৰকাশন পৰিষদৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ গাণনিক বিষয়া তথা নিবন্ধকাৰ কামাখ্যা প্ৰসাদ ভট্টাচাৰ্যৰ কালি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ। উল্লেখযোগ্য যে কামাখ্যা প্ৰসাদ ভট্টাচাৰ্য জ্ঞানপীঠ বঁটাৰে সন্মানিত বিশিষ্ট ঔপন্যাসিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু কবি, সমালোচক নলিনীধৰ ভট্টাচাৰ্যৰ কনিষ্ঠ ভাতৃ আছিল। তেখেতৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ৩৭ ডিগ্রী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্রী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত নাগালেণ্ড আৰু মিজোৰামত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইফালে, অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত